# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 10-09-2026
**Time :** 0705 HRS.

ASSAMESE NSD MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। কেন্দ্ৰীয় মন্ত্ৰীসভাই ২০ হাজাৰ ৮০০ কোটি টকাৰো অধিক ব্যয় সাপেক্ষ ৮টা একাধিক পথ বিশিষ্ট ৰে'লৰে প্ৰকল্পত অনুমোদন জনাইছে।

২। ভাৰত আৰু শ্ৰীলংকাৰ দীৰ্ঘদিনীয়া প্ৰতিৰক্ষা আৰু কৌশলগত অংশীদাৰিত্ব অধিক শক্তিশালী কৰাৰ ওপৰত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে গুৰুত্ব আৰোপ কৰিছে।

৩। ৰাজহ চোৰাংচোৰা সঞ্চালকালয়ে যোৱা ১০ দিনত দেশৰ বিভিন্ন স্থানত ছটা বৃহৎ অভিযান চলায়।

৪। কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে কালি গোৱাত ছটা লেনযুক্ত পৰভৰিম এলিভেটেড কৰিডৰ মুকলি কৰে। *আৰু*

৫। ইউ এছ অ'পেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ একক শাখাত বেন ছেল্টন আৰু ফ্ৰেন্সেছ টাইফ' আৰু মহিলাৰ শাখাত এৰিনা ছাবালেংকা আৰু জেচিকা পেগুলা ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

কেন্দ্ৰীয় মন্ত্ৰীসভাই ২০ হাজাৰ ৮০০ কোটি টকাৰো অধিক ব্যয় সাপেক্ষ ৮টা একাধিক পথ বিশিষ্ট ৰে'লৰে প্ৰকল্পত অনুমোদন জনাইছে। ৰে'লপথৰ সামৰ্থ, চলাচলৰ সুবিধা বৃদ্ধি কৰি মুখ্য ৰে'লপথসমূহত ৰে'ল চলাচলত অধিক সুবিধা হোৱাকৈ এই প্ৰকল্পসমূহ ৰূপায়ণ কৰা হ'ব। নতুন দিল্লীত কালি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে ১০ হাজাৰ কোটি টকাৰো অধিক ব্যয় সাপেক্ষ তিনিটা ৰে'লৰে প্ৰকল্পই পশ্চিমবংগ, ঝাৰখণ্ড, ওড়িশা, মধ্য প্ৰদেশ আৰু চত্তিশগড়ৰ ১৪ খন জিলাক সামৰি ল'ব। এই প্ৰকল্পৰ অধীনত ৰে'লৰে নেটৱৰ্ক আৰু ৬৫৬ কিলোমিটাৰলৈ বৃদ্ধি পাব। শ্ৰীবৈষ্ণৱে কয় যে এই প্ৰকল্পকেইটা খড়গপুৰৰ পৰা ঝাৰছুগুডালৈ চতুৰ্থটো ৰে'লপথ, কাটনিৰ পৰা পেন্দ্ৰা ৰোডলৈ চতুৰ্থটো আৰু বিলাসপুৰৰ পৰা পেন্দ্ৰা ৰোডলৈ তৃতীয়টো ৰে'লপথ স্থাপন কৰা হ'ব। ২০২৯-৩০ বৰ্ষৰ ভিতৰত এই ৰে'লপথসমূহৰ নিৰ্মাণ সম্পূৰ্ণ কৰাৰ পৰিকল্পনা কৰা হৈছে।  এই বহুশৰীয়া ৰে'লপথ স্থাপনৰ ফলত অঞ্চলটোত পূৰ্বতে বৃদ্ধি হোৱা ৰে'লৰ চলাচল মসৃণ হ'ব।

কেন্দ্ৰীয় মন্ত্ৰীসভাই ইয়াৰ উপৰি তামিলনাড়ু, অন্ধ্ৰ প্ৰদেশ, কৰ্ণাটক আৰু তেলেংগানাৰ ১৭খন জিলাক সামৰি পাঁচটা ৰে'লপথ স্থাপনৰ বাবে অনুমোদন জনাইছে। ইয়াৰ ফলত এই অঞ্চলটোত প্ৰায় ৫৪০ কিলোমিটাৰ ৰে'লপথ নিৰ্মাণ কৰা হ'ব।  ২০২৯-৩০ বৰ্ষত সম্পূৰ্ণ কৰাৰ পৰিকল্পনা কৰা এই আঁচনিৰ বাবে ১০ হাজাৰ ২১ কোটি টকাৰ ব্যয় নিৰ্ধাৰণ কৰা হৈছে। এই আঁচনিৰ অধীনত আৰাক্ক'নামৰ পৰা ৰেণীগুণ্টালৈকে আৰু হোৱাইট ফিল্ডৰ পৰা বাংগাৰাপেটলৈকে তৃতীয় আৰু চতুৰ্থটো ৰে'লপথ স্থাপন কৰা হ'ব। এই ৰে'লপথছোৱাই দুহেজাৰ ১০০ৰো অধিক গাঁৱৰ ৫২ লাখ লোকক সামৰি ল'ব। শ্ৰীবৈষ্ণৱে কয়,

যে ১১ হাজাৰ কিলোমিটাৰ দৈৰ্ঘ্যৰ দেশৰ সাতটা ব্যস্ত ৰে'লপথক চাৰিলেনযুক্ত কৰাৰ সিদ্ধান্ত লোৱা হৈছে। এই ৰে'লপথকেইটা হৈছে দিল্লী-হাওৰা, মুম্বাই-হাওৰা, দিল্লী-মুম্বাই, দিল্লী-গুৱাহাটী, দিল্লী-চেন্নাই, হাওৰা-চেন্নাই আৰু মুম্বাই-চেন্নাই। ইয়াৰে দুহেজাৰ কিলোমিটাৰ দৈৰ্ঘ্যজুৰি চতুৰ্থ শাৰী ৰে'লপথৰ নিৰ্মাণ ইতিমধ্যে সম্পূৰ্ণ হৈছে। মুম্বাই-আহমেদাবাদ বুলেট ট্ৰেইন সন্দৰ্ভত শ্ৰীবৈষ্ণৱে কয়, যে অহা বছৰ এই সেৱা আৰম্ভ হ'ব। এই প্ৰকল্পৰ নিৰ্মাণ দ্ৰুতগতিত চলি আছে আৰু ছুৰাটৰ পৰা বাপ্পীলৈ ১০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱা শীঘ্ৰেই মুকলি কৰি দিয়া হ'ব।

**বাইট (অশ্বিনী)**

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰে'ল প্ৰকল্পসমূহ সন্দৰ্ভত মন্ত্ৰীসভাৰ সিদ্ধান্তই যাত্ৰীসকলৰ যাতায়াত দ্ৰুত কৰাৰ লগতে যোগাযোগ ব্যৱস্থা শক্তিশালী কৰিব আৰু সামগ্ৰী পৰিবহণ ক্ষমতা বৃদ্ধি হ'ব বুলি আশা প্ৰকাশ কৰিছে। তেওঁ কয়, যে এই প্ৰকল্পসমূহে দক্ষিণ ভাৰতৰ ৰে'ল যোগাযোগ ব্যৱস্থা উন্নত কৰি লক্ষ লক্ষ লোকক উপকৃত কৰিব।

০০০০০

নিৰাপদ সামুদ্ৰিক পথ, সমুদ্ৰত দিক্‌নিৰ্দেশনাৰ স্বাধীনতা, আন্তঃৰাষ্ট্ৰীয় আইনৰ প্ৰতি সন্মান আৰু বাধাহীন সামুদ্ৰিক বাণিজ্য, ভাৰত মহাসাগৰীয় অঞ্চলৰ সামূহিক সুৰক্ষা আৰু সমৃদ্ধিৰ অন্যতম গুৰুত্বপূৰ্ণ চৰ্ত বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে মত প্ৰকাশ কৰিছে। শ্ৰীলংকাৰ কলম্বোত দেশখনৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ত উপস্থিত হোৱাৰ পাছত শ্ৰীসিঙে এই মন্তব্য কৰে। তেওঁ সামুদ্ৰিক সহযোগিতাৰ ওপৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰি ভাৰত আৰু শ্ৰীলংকাৰ দীৰ্ঘদিনীয়া প্ৰতিৰক্ষা আৰু কৌশলগত অংশীদাৰিত্ব অধিক শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। গোলকীয় আৰু আঞ্চলিক প্ৰেক্ষাপটত সঘনাই পৰিৱৰ্তিত পৰিস্থিতিৰ ফলত সৃষ্টি হোৱা ভাবুকিৰ প্ৰতি লক্ষ্য ৰাখি দুয়ো দেশে যুটীয়া নীতি নিৰ্দেশনা কাৰ্যকৰী কৰি কৌশল শক্তিশালী কৰিব লাগিব আৰু অভিজ্ঞতা বিনিময় কৰিব লাগিব বুলি তেওঁ উল্লেখ কৰে।

**বাইট (ৰাজনাথ)**

প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে মহাসাগৰ পদক্ষেপৰ অধীনত নিকট আৰু শক্তিশালী সামুদ্ৰিক অংশীদাৰিত্বৰ ন-ন দিশত দৃষ্টি নিক্ষেপ কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে সামূহিক বিকাশ আৰু সুৰক্ষাৰ বাবে ভাৰত আৰু শ্ৰীলংকাৰ পাৰস্পৰিক সামুদ্ৰিক সহযোগিতা অত্যন্ত গুৰুত্বপূৰ্ণ। দুয়ো দেশে মাদক দ্ৰব্য, চোৰাং ব্যৱসায় আৰু মানৱ সৰবৰাহ ৰোধৰ ক্ষেত্ৰত একেলগে কাম কৰি আছে বুলি শ্ৰীসিঙে মন্তব্য কৰে। এই প্ৰসংগতে প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে দুয়ো দেশৰ প্ৰচেষ্টাত স্থাপন হোৱা সামুদ্ৰিক উদ্ধাৰ সমন্বয় কেন্দ্ৰক ভাৰত মহাসাগৰৰ জলভাগ সুৰক্ষিত কৰি ৰখাত দেশ দুখনৰ পাৰস্পৰিক দায়বদ্ধতাৰ নিদৰ্শন বুলি অভিহিত কৰে। শ্ৰীসিঙে মাছমৰীয়াসকলক লৈ হোৱা বিবাদ পাৰস্পৰিক বুজাবুজিৰে নিষ্পত্তি কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। উল্লেখযোগ্য যে প্ৰতিৰক্ষা মন্ত্ৰীগৰাকী তিনিদিনীয়া ভ্ৰমণসূচীৰে শ্ৰীলংকালৈ গৈছে।

০০০০০

ৰাজহ চোৰাংচোৱা সঞ্চালকালয়-ডি আৰ আইয়ে যোৱা ১০ দিনত সমগ্ৰ দেশৰ বিভিন্ন স্থানত ছটাকৈ বৃহৎ অভিযান চলাইছে। এই অভিযানত দুটা নাহৰফুটুকীৰ ছাল, ১৮০টা জীৱিত ইণ্ডিয়ান ষ্টাৰ কাছ, ১২টা জীৱিত টোকে গেকো, প্ৰায় ২৪ কিলোগ্ৰাম পেংগোলিন স্কেল, আৰু প্ৰায় ৫০০ গ্ৰাম বাঘৰ হাড় জব্দ কৰা হৈছে। বিত্ত মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি এই অভিযানৰ

সৈতে জড়িত তেৰজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। ডি আৰ আইৰ মতে, এই অভিযানে সংৰক্ষিত বন্যপ্ৰাণী সৰবৰাহৰ বিভিন্ন সমস্যা সম্পৰ্কে সজাগতা সৃষ্টি কৰাৰ লগতে আন্তঃসংস্থাসমূহৰ স্থায়ী সমন্বয়ৰ প্ৰয়োজনীয়তা সন্দৰ্ভত আলোকপাত কৰে।

ooooo

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে কালি গোৱাত ছটা লেনযুক্ত পৰভৰিম এলিভেটেড কৰিডৰ মুকলি কৰে। এই উপলক্ষ্য আয়োজিত অনুষ্ঠানত দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে কয়, যে উন্নত আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থাই বিনিয়োগকাৰী আকৰ্ষণ কৰাৰ লগতে নিয়োগ সৃষ্টি কৰিব আৰু অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰিব। তেওঁ কয়, যে আন্তঃগাঁথনি উন্নত হোৱাৰ লগে লগে মূলধনী বিনিয়োগ হয় আৰু ইয়াৰ ফলত কৰ্ম সংস্থাপনৰ সৃষ্টি হয়। শ্ৰীগাডকাৰীয়ে কয়, যে গোৱাত কেইবাটাও ঘাইপথ, দলং, উৰণ সেতু আৰু বন্দৰ যোগাযোগ প্ৰকল্প নিৰ্মীয়মান অৱস্থাত আছে নাইবা নিৰ্মাণ সম্পূৰ্ণ হৈছে। তেওঁ ৬৬ নম্বৰ আৰু ৭৪৮ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কাম-কাজৰ অগ্ৰগতি, বিমানবন্দৰৰ সংযোগ সাধনৰ ক্ষেত্ৰত হোৱা উন্নতিৰ লগতে উত্তৰ আৰু দক্ষিণ গোৱাক সংযোগ সাধনৰ প্ৰস্তাৱত আলোকপাত কৰে। প্ৰায় ৬৪১ কোটি টকা ব্যয় সাপেক্ষ ৫ দশমিক ১-৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ পৰভৰিম কৰিডৰেৰে দৈনিক ৭৫ হাজাৰৰ পৰা ৮০ হাজাৰ বাহন চলাচল কৰিব আৰু ইয়াৰ ফলত পথৰ পৰা ৬০ শতাংশ যান-জঁট আঁতৰ হ'ব। ইয়াৰ আগেয়ে শ্ৰীগাডকাৰীয়ে জুৱাৰী দলং পৰিদৰ্শন কৰি দ্বৈত নিৰীক্ষণ স্তম্ভৰ আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰী প্ৰমোদ সাৱন্তে কয়, যে অহা দুবছৰৰ ভিতৰত নিৰ্মাণ সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা এনেধৰণৰ স্তম্ভ দেশত প্ৰথমবাৰৰ বাবে নিৰ্মাণ কৰা হ'ব।

ooooo

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে কালি নতুন দিল্লীত ইউএছএইছএ ইণ্টাৰনেশ্যনেল লিমিটেডৰ কাৰ্যবাহী অধ্যক্ষ কৃষ্ণ শ্ৰীৰামৰ নেতৃত্বৰ এটা প্ৰতিনিধি দলক সাক্ষাৎ কৰে। এই বৈঠকত ভাৰতীয় ব্যৱসায়ীসকলে আন্তঃৰাষ্ট্ৰীয় বজাৰত নিজৰ উপস্থিতি সুদৃঢ় কৰাৰ লগতে উদ্ভাৱন, প্ৰযুক্তি, আৰু গুণগত মানৰ ওপৰত গুৰুত্ব আৰোপ কৰি উদীয়মান খণ্ডসমূহত বৈচিত্ৰ্যময় কৰি বিশ্বজুৰি প্ৰতিযোগিতামূলক সামগ্ৰীৰ বজাৰ সৃষ্টি কৰাৰ সুযোগসমূহৰ বিষয়ে আলোচনা কৰা হয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ভাৰতত উৎপাদনৰ সম্প্ৰসাৰণৰ পৰিকল্পনা সম্পৰ্কে আলোচনা কৰে। এই বৈঠকত মহাকাশ পৰিৱেশ তন্ত্ৰক শক্তিশালী কৰা, ভাৰতৰ আত্মনিৰ্ভৰ ভাৰতৰ দৃষ্টিভংগীক সমৰ্থন কৰা, আৰু দেশখনক গোলকীয় উৎপাদন কেন্দ্ৰ হিচাপে গঢ়ি তোলা আদি বিষয়ত গুৰুত্ব আৰোপ কৰা হয়।

ooooo

ইউ এছ অ'পেন টেনিছ প্ৰতিযোগিতাত আমেৰিকাৰ বেন ছেল্টন আৰু একাদশ বাছনিৰ ফ্ৰেন্সেছ টাইফ' পুৰুষৰ একক শাখাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। মহিলাৰ ছিংগলছৰ ছেমি ফাইনেলত কাইলৈ এৰিনা ছাবালেংকা আৰু তৃতীয় বাছনিৰ জেচিকা পেগুলা মুখামুখি হ'ব। আনহাতে চতুৰ্থ বাছনিৰ ক'কো গফে কাজাখস্তানৰ এলেনা ৰিবাকিনাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

পুৰুষৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত অষ্টম বাছনিৰ ছেল্টনে নিউয়ৰ্কত কালি বৰ্তমানৰ চেম্পিয়ন কাৰ্লোছ আলকাৰাজক পাঁচটা ছেটৰ খেলত ৬-৭, ৬-১, ৬-৩, ১-৬ আৰু ৭-৬ৰ ব্যৱধানত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰে। ইফালে, যোৱা নিশা অনুষ্ঠিত আনখন কোৱাৰ্টাৰ ফাইনেলত

আমেৰিকাৰ ফ্ৰেন্সেছ টাইফ'ৰে একে দেশৰে এলেক্স মাইকেলছেনক পৰাস্ত কৰে। দুয়োগৰাকী খেলুৱৈয়ে প্ৰথমবাৰৰ বাবে গ্ৰেণ্ডশ্লেম প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰবেশ কৰিছে।

মহিলাৰ ছিংগলছত শীৰ্ষ বাছনিৰ ছাবালেংকাই কোৱাৰ্টাৰ ফাইনেলত ষষ্ঠ বাছনিৰ চেক গণৰাজ্যৰ লিণ্ডা নস্কোভাক পৰাস্ত কৰে। কালি পুৱা অনুষ্ঠিত আনখন কোৱাৰ্টাৰ ফাইনেলত আমেৰিকাৰ জেছিকা পেগুলাই একে দেশৰে এন্মা নাভাৰ'ক পৰাস্ত কৰে। ইপিনে আন দুখন কোৱাৰ্টাৰ ফাইনেলত আমেৰিকাৰ চতুৰ্থ বাছনিৰ ক'ক' গ'ফে পঞ্চম বাছনিৰ ৰাছিয়াৰ মিৰা এণ্ড্ৰিভাক পৰাস্ত কৰাৰ বিপৰীতে দ্বিতীয় বাছনিৰ কাজাকস্তানৰ এলেনা ৰিবাকিনাই চীনৰ কিনৱেন ঝেঙক পৰাস্ত কৰে।

ooooo

সমাপ্ত